


# সাদিনৰ চোতাল






ৰ'বাদেই। অলপ দোধোৰ-মোধোৰত পৰিছোঁ। জাৰত মনৰ কথাবোৰ নিহালিৰ তলত সোমাল হ'বলা। সেয়েহে লেঠা লাগিল। কলম খুলি লৈছোঁ। পিচে মন খোল খোৱা নাই। কিনো লিখোঁ থিৰাং কৰিবই পৰা নাই।

লিখিবলৈ হ'লে চিন্তাৰ গোঁজ এটা লাগে। গোঁজটো পুতিব পাৰিলেই হ'ল। বাকী কথাবোৰ আহি চৌপাশে মথা বান্ধেহি। এইবাৰ পিছে গোঁজ পুতিব নোৱাৰা হোলোংগোঁজ। ভাবে-ভাষাই তেনেই নিতমতমা। কি কৰোঁ বাৰু? কিবা কাম একেৰি নকৰিলে হ'ব জানো। কাম? এৰা কামৰ কথাকে ধৰা যাওক। কি কাম বাৰু আটাইতকৈ টান? কি কামেই বা উজু?

আনে কি ভাবে ক'ব নোৱাৰোঁ। মোৰ ধাৰণাত আটাইতকৈ টান কাম হ'ল— নিজৰ কথা নোকোৱাকৈ থাকিব পৰাটো। নিজৰ ঢোলত নিজে কোব নিদিয়াকৈ ৰ'ব পৰাটো। অৰ্থাৎ আপোনযহী নোহোৱাকৈ থাকিব পৰাটো।

আৰু সবাতোকৈ উজু কাম হ'ল— লোকৰ কথা ভালে-বেয়াই, সঁচাই-মিছাই ৰটি ফুৰাটো। পৰ-চৰ্চ্চা কৰাটো। অনাহকত লোকৰ দোষ খুঁচৰি ফুৰাটো।

এই দুয়োটাই পৰম দোষণীয় কাম। সমাজৰ বহুতো সমস্যাৰ মূল। ইহঁতে জুলুম নকৰা লোক নাই বুলিব পাৰি। মাত্ৰাৰ হয়তো কম-বেছি হ'ব পাৰে।

ভাৰতীয় চিন্তাত আত্মশ্লাঘা অৰ্থাৎ নিজকে যহাই ফুৰাটো আত্ম হত্যাৰ সমান, মহাভাৰতৰ কৰ্ণ পৰ্বত এটা ঘটনা আছে। অৰ্জুনে কথাত বান্ধ খাই আপোন-ঘাতী হ'ব লগীয়াত পৰিছিল। তেতিয়া শ্ৰীকৃষ্ণই তেওঁক আত্ম-শ্লাঘা কৰিবলৈ কৈছিল, কাৰণ দুয়োটা সমান দোষ।

আপোনযহী হোৱাতকৈও বহুগুণে দোষণীয় পৰ নিন্দাকাৰী হোৱাটো। অৰ্থাৎ আনৰ কথা চেল-বেলাহি ফুৰাটো। সমাজত এনে মানুহ দেধাৰ আছে। মই এটা কথা ভাবি আচৰিত হওঁ— তেওঁলোকে লোকৰ কথা ভাবিবলৈ ইমান সময় কেনেকৈ গোটায়? এনে দোষক কেতিয়াও আশ্ৰয় নিদিবা। তেনেবোৰ কথালৈও কাণ নাপাতিবা। কাৰণ সিবোৰে মনৰ ভাৱনাক বৰ বেয়া কৰে। অসূয়া-অপ্ৰীতিক বৰ পীৰা পাৰি বহুৱায়। জিভা-পাতল মানুহ বৰ বিপদজনক জীৱ। তেওঁলোকৰ পৰা সযতনে আঁতৰি থাকিবা।

দৰাচলতে কথা-বতৰাৰ পৰাই মানুহক চিনিব পাৰি। আমাৰ নাম ঘোষাত থকা দুষাৰমান সাৰুৱা কথা এনেধৰণৰ— যি অধম তেওঁ সকলোৰে কেৱল দোষকহে দেখে। যি মধ্যম তেওঁ দোষ-গুণ বিচাৰ কৰি লয়। যি উত্তম তেওঁ সকলোৰে গুণকহে দেখে। আৰু উত্তমৰ উত্তমজনে ক'ৰবাত অকণমান গুণ দেখিলেই হ'ল। তাকে শতগুণ কৰি বখানিব।

কথাখিনি মনত ৰাখিবা। কেতিয়াও নিজৰ গুণ নবখানিবা। সেয়া আনে কৰিব। ভুলতো আনৰ বদনাম নৰটিবা।। সি অনাহকতে শতুৰালি বঢ়াব।

এস্ পদুলি গৰকিচোন চোতালত ভৰি দিলোঁহি। ততকে ধৰিব নোৱাৰিলোঁ। মোৰ মৰম ল'বা দেই—

[signature]

## এজন নাপিতৰ বিলৈ

'হেৰা মনচোকা, কাইলৈ পুৱাতে তুমি ৰজা ঘৰলৈ যাব লাগিব। আমাৰ চাৰিঙৰ ৰজাৰ ব্যক্তিগত নাপিতজনৰ হঠাতে মৃত্যু ঘটিল। তুমিয়েই ৰজাৰ চুলি কাটিবগৈ লাগিব।' চাৰিঙৰ ৰজাৰ কটকীজনে মনচোকা বোলা নাপিতজনক কথাকেইটা ক'লে। 'ভাল বাৰু কটকীদেৱ। কাইলৈ পুৱাতেই আমি ৰজা ঘৰলৈ যাত্ৰা কৰিম।' মনচোকাই উত্তৰ দিলে। লগে লগে চাৰিঙ ৰজাৰ কটকী গ'লগৈ।

মনচোকাৰ এটা স্বভাৱ আছে। তেওঁ যিকোনো কথা মানুহৰ আগত কৈ ফুৰিহে আনন্দ পাইছিল। পেটত কথা ৰাখিব নোৱাৰিছিল। মন গ'লেই কাৰোবাৰ কথাত ৰহণ সানিছিল আৰু অন্যক বেছ হাঁহিব খোৱাক দিছিল। পিচে তেওঁৰ কথাত মানুহে ৰগৰ কৰিছিল যদিও পেটে পেটে কোনোৱে ভাল নাপাইছিল। সেয়ে তেওঁক কোনোৱেই নিজৰ ভাল কথাবোৰ নকৈছিল। মনে মনে ৰাখিছিল।



পিচদিনা মনচোকা পুৱাতে ৰজাৰ ঘৰ ওলালগৈ। ৰজা ঘৰত তেওঁক এটা আছুতীয়া কোঠাত বহিবলৈ দিয়া হ'ল। অলপ পাচতেই ৰজা আহিল আৰু এখন আসনত বহি মূৰৰ পৰা মুকুটটো আঁতৰাই থ'লে আৰু চুলি কাটিবলৈ হুকুম কৰিলে।

মনচোকাই হাতত কেঁচিখন লৈ ৰজাৰ মূৰলৈ চাই অবাক হ'ল। ৰজাৰ কাণ দুখন গাধৰ কাণৰ দৰে! কি কৰে এতিয়া? তথাপি তেওঁ ৰজাৰ আদেশত চুলি কাটিলে আৰু বিদায় ল'বৰ বাবে অনুমতি বিচাৰিলে। তেতিয়া ৰজাই তাক কেইটামান ৰূপৰ মুদ্ৰা চুলি কটাৰ বিনিময়ত প্ৰদান কৰিলে। তাৰপিচত ৰজাই মনচোকাক অলপ কাঢ়াকৈ ক'লে যে যদি তেওঁ ৰজাৰ কাণ দুখন গাধৰ কাণৰ দৰে বুলি কাৰোবাৰ আগত ব্যক্ত কৰে, তেন্তে তেওঁৰ জিভা কটা যাব।

মনচোকা ঘৰলৈ আহি বৰ বিমোৰত পৰিল। কাৰণ তেওঁ কাৰো কথা পেটত ৰাখিব নোৱাৰে। অন্যক ক'বই লাগিব। নহ'লে পেটৰ বিষ হয় বুলি ধাৰণা আছে। পিচে তেওঁ অন্যক এই কথা ক'বও নোৱাৰে। ক'লেই ৰজাই তেওঁৰ জিভা কটাব। এইদৰে ভালেমান দিন ধৰি কথাটো কাৰো আগত ক'ব নোৱাৰা বাবেই তেওঁৰ পেটৰ বিষ বেছি হৈছে বুলি মনতে ভাবিবলৈ ধৰিলে। উচ্পিচাই থাকিল তেওঁ। এদিন ভাবিলে, এই কথাই কথা নহয়, মেলেঙত থকা ডাঙৰ হাবিখনৰ ভিতৰ পালেগৈ আৰু এজোপা ডাঙৰ গছৰ ওচৰত ক'বলৈ আৰম্ভ কৰিলে— 'বোলে চাৰিঙৰ ৰজাৰ কাণ দুখন গাধৰ কাণৰ দৰে।' সেইদিনাই আকৌ এজন বাঢ়ৈয়ে উক্ত গছজোপা কাটি আনি এটা ডবা সাজিলে। বাঢ়ৈজনে ডবাটো নি বাৰুৱতী নামঘৰত দান দিলে।

নামঘৰত গধুলি ডবাটো কোবালেই মাতিবলৈ ধৰিলে বোলে চাৰিঙৰ ৰজাৰ কাণ দুখন গাধৰ কাণৰ দৰে। সদায় গধুলি এনেকৈ শুনি শুনি অতিষ্ঠ হৈ প্ৰজাই কথাটো ৰজাৰ কাণত পেলালেগৈ ৰজাই মনচোকাক ধৰাই নিলে আৰু জিভা কাটিবলৈ আদেশ দিলে। পিচে মন্ত্ৰীজনে ৰজাক বুজালে যে প্ৰথমবাৰলৈ তেওঁক ক্ষমা কৰিব লাগে। আৰু ভৱিষ্যতলৈ শিক্ষা দিব লাগে। জিভা কটাৰ পৰা ৰক্ষা পাই মনচোকাই পিচলৈ এনে কুকৰ্ম নকৰা হ'ল। আনকো তেনে বেয়া কাম নকৰিবলৈ সকীয়াই দিবলৈ ধৰিলে।

সেয়ে জ্ঞানীসকলে কৈছে মানুহে যদি এনেকৈ লোকৰ বদনাম গাই বা যিকোনো নক'বলগীয়া কথা কৈ কিবা লাভ হ'লহেঁতেন তেন্তে ঈশ্বৰে সকলোকে দুখন জিভা দিলেহেঁতেন। লগতে দুখন মুখো।■ (ছাঁ লৈ)

**মহেন কোঁৱৰ**
ম'ৰাবজাৰ, শিৱসাগৰ

## চেনেহৰ মোমাইদেউ




আন্তৰিক মৰম তথা সেৱা গ্ৰহণ কৰিব। চোতালৰ জন্মলগ্নৰে পৰা শেহতীয়া সংখ্যালৈকে প্ৰায় প্ৰতিটো সংখ্যাই মই সযতনে সাঁচি ৰাখিছোঁ। আমাৰ অতি আদৰৰ চোতাললৈ মোৰ হিয়াভৰা শুভেচ্ছা থাকিল। কিন্তু মোমাইদেউ, পদুলিখন অলপ বহলাব নোৱাৰিনে? আমি প্ৰতিবাৰে আপোনাৰ অধিক সংগ কামনা কৰোঁ।

আজি মই নিজৰ কেইটামান দুখলগা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিবলৈ ওলাইছোঁ। যিকেইটা ঘটনাৰ কথা ক'বলৈ ওলাইছো সি আমাৰ বাবে অতি পৰিতাপৰ কথা।

আজিৰ পৰা প্ৰায় এবছৰমানৰ আগৰ ঘটনা। মোৰ এজন চিনাকি ল'ৰা আমাৰ ঘৰলৈ আহিছিল। ল'ৰাজন তেতিয়া এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ শ্ৰেণীৰ ছাত্ৰ আৰু মই দশম শ্ৰেণীত। সেইদিনা তেওঁৰ লগত মোৰ কিছু আলোচনাৰ অন্তত মই ক'লো— বৰগীতৰ কথা, মহাপুৰুষ শংকৰদেৱৰ কথা। পিচে সঁচাকৈ মৰ্মাহত হ'লো যেতিয়া ল'ৰাজনে মোক সুধিলে— 'শংকৰদেৱ কোন? চিংগাৰ (Singer) নেকি?' এনে ল'ৰা-ছোৱালী (অসমীয়া) নিশ্চয় আজিকালি বৰ কম নোলাব। তেওঁলোকৰ যেন নিজৰ সমাজখনক জনাৰ, শংকৰ-মাধৱদেৱক জনাৰ, নিজৰ পৰম্পৰাক জনাৰ কোনো প্ৰয়োজন নাই। কেৱল শংকৰ-মাধৱেই নহয়, তেওঁলোকে সমসাময়িক খ্যাতনামা অসমীয়াসকলৰ কথাও নাজানে। মোৰ অভিজ্ঞতাৰ বাকী ঘটনাকেইটাও একে লেখীয়া।

কেইজনমান অসমীয়া যুৱকৰ কথা কওঁ। তেওঁলোক অসমৰ এখন আগশাৰীৰ বিখ্যাত মহাবিদ্যালয়ৰ ছাত্ৰ, তেওঁলোকৰ আগত মই ড' ভবেন্দ্ৰ নাথ শইকীয়া ঢুকাওঁতে দুখ প্ৰকাশ কৰিছিলোঁ। মোক অবাক কৰি তেওঁলোকে ছাৰৰ বিষয়ে সম্পূৰ্ণ অজ্ঞতা প্ৰকাশ কৰে। একেদৰে আনকেইজনমান অসমীয়া যুৱকৰ আগত ড' নিৰ্মলপ্ৰভা বাইদেউৰ মৃত্যুত দুখ প্ৰকাশ কৰোঁতে




তেওঁলোকে ড' বৰদলৈৰ নামেই শুনা নাই বুলি লজ্জাজনকভাৱে প্ৰকাশ কৰে।


এনেবোৰ কথাই আজিকালি প্ৰায়েই আমনি কৰি থাকে। এনে ধৰণৰ দুৰ্ভগীয়া অসমীয়া শিক্ষিত যুৱক-যুৱতীৰ সংখ্যা এতিয়া অলেখ হ'ব। নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি কাৰো ৰুচি নাই। চাৰিওফালে থলুৱা সংস্কৃতিক ঢাকি অপসংস্কৃতিয়ে গা কৰি উঠিছে। আমাৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি ইমান ৰহণীয়া হোৱা সত্ত্বেও কিয় চাৰিওপিনে এনে অপসংস্কৃতিৰ প্ৰয়োভৰ! আমাৰ বহুতো অসমীয়া ল'ৰা-ছোৱালীয়ে অসমতে থাকিও অসমীয়া ভাষা ক'ব নোৱাৰে। সকলোতে কেৱল পাশ্চাত্য ভাষা-সংস্কৃতিৰ প্ৰভাৱ। এই 'সাদিনৰ চোতাল'তে স্বৰ্গীয় নৱকান্ত বৰুৱাদেৱে কৈছিল যে— 'যিসকল ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষা লিখিব নাজানে তেওঁলোক নিজ মাতৃভাষাতে নিৰক্ষৰ।' তেওঁৰ মতে— ভাষা তেজত নহয়, ভাষা পৰিবেশত আছে, চৰ্চাত আছে (সোণসেৰীয়া কথা আৰু চহী- ১২ জুলাই ২০০২)। কিন্তু দেখা যায় আমাৰ চৰ্চাৰ তেনেই অভাৱ।

এনে চিন্তাবোৰে সদায় আমনি দিয়ে। সকলোতকৈ বেছি দুখ দিয়ে আমাৰ অসমীয়া মানুহখিনিয়ে নিজকে নিজে পাহৰিব খোজা দেখি। নৱকান্ত বৰুৱাদেৱে ক'বৰ দৰে 'কোনো মানুহেই জন্মসূত্ৰে অসমীয়া নহয়।' গতিকে অসমীয়া হ'বলৈ অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি প্ৰতিটো দিশকে আকোঁৱালী ল'ব লাগিব। আমি, যিসকলে নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি, নিজৰ জাতিৰ প্ৰতি সেৱা আগবঢ়াব খোজো,— এতিয়া কি কৰা উচিত? কেৱল অধ্যয়নত লাগি থাকিলেই বাৰু যথেষ্ট হ'বনে? ইয়াৰে উত্তৰ আমি চোতালত পামনে?

শেষত আপোনাৰ সুস্বাস্থ্য তথা আমাৰ সকলোৰে মৰমৰ চোতালখনি চিৰযুগমীয়া হোৱাৰ কামনাৰে।

ইতি—

**পৰাগ কুমাৰ ডেকা**, কেকোঁৰাপুল, তেজপুৰ






শিক্ষক ঃ ৰমেন, ১৯৪৭ চনত কি ঘটিছিল বাৰু?

ৰমেন ঃ ছাৰ, কালি কি ঘটিছিল তাকেই নাজানো। ১৯৪৭ চনৰ কথা কেনেকৈ ক'ম?

□□□

ৰমেন ঃ জানা আমি তিনি হেজাৰ বছৰমানৰ আগতে উপজিব লাগিছিল।

যতীন ঃ কিয়?

ৰমেন ঃ তেনে হোৱা হ'লে বুৰঞ্জীৰ বহুত কথা নপঢ়াকৈ হ'লহেঁতেন। অংকও বহুত কমিলহেঁতেন।

□□□

গ্ৰাহক ঃ কওকচোন পূৰৈ ৰঙা, নোমাল, বিজলুৱা, যোল্লঠেঙীয়া প্ৰাণীটোৰ নাম কি?

ৰেস্তোঁৰাৰ মালিক ঃ মই নাজানো ছাৰ।

গ্ৰাহক ঃ ওঁহো, আপুনি জানিবই লাগিব। কাৰণ এই তৰকাৰিখনত তেনে কিবা এটা দিয়া যেন পাইছোঁ।

## মহৎ লোকৰ আজৰি সময়

□ ডাঃ মেছন গুডে লণ্ডনলৈ ৰোগী চাবলৈ ঘোঁৰাত উঠি যোৱা সময়খিনিতে 'লুক্ৰেটিয়াছ' নামৰ কিতাপখন অনুবাদ কৰি উলিয়াইছিল।

□ বীচাৰ ফাউচেও তেওঁৰ 'ইংলেণ্ড' নামৰ কিতাপখন ৰাতিৰ সাঁজ খাবলৈ যোৱাৰ সময়খিনিত লিখি উলিয়াইছিল।

□ ডাঃ বাৰ্ণীয়ে ঘোঁৰাৰ ওপৰত উঠি ফুৰা সময়খিনিত ইটালী আৰু ফৰাচী ভাষা শিকিছিল।

□ কবি লংফেলোৱে তেওঁৰ কফি উতলাবলৈ লগা দহ মিনিট সময়ৰ সদ্ব্যৱহাৰ কৰি 'ইনফান' নামৰ কিতাপখন অলপ অলপকৈ লিখি উলিয়াইছিল।

□ বুৰঞ্জীবিদ গেইটে বেংকাৰৰ কাম কৰি থাকোতে পোৱা আজৰি সময়খিনিত 'গ্ৰীচৰ বুৰঞ্জী' নামৰ সুন্দৰ কিতাপখন ৰচিছিল।

□ গেলিলিও নিজে শল্য-চিকিৎসক আছিল। কিন্তু আজৰি সময়খিনি কামত খটুৱাই তেওঁ বহুতো নতুন তথ্য আৱিষ্কাৰ কৰিছিল।■

সংগ্ৰহ ঃ বিনয় চাহু
ৰঙাগড়া বাগিচা, গোলাঘাট

# বাতৰিকাকতৰ বতৰা

পুৱাই বাতৰিকাকতখন নাপালে বেয়া লাগে। এয়া আজি আমাৰ জীৱনৰ এক অংগ। এয়া সমাজৰ এক অতন্দ্ৰ প্ৰহৰীস্বৰূপ। ইয়াৰে আদি কাহিনীৰ এক থুলমূল বিৱৰণ আগবঢ়ালো।




প্ৰচলনৰ আদিতে বাতৰিকাকত আজিৰ দৰে নাছিল। সেইবোৰক 'বাৰ্তাপত্ৰ' (News Letter) বুলিলেহে খাপ খাব। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত কেতবোৰ সম্ভ্ৰান্ত ৰোমান লোকে এনে 'বাৰ্তাপত্ৰ' ৰাজধানীৰ পৰা আঁতৰত থকা লোকসকললৈ প্ৰেৰণ কৰিছিল। সেইবোৰ আছিল ব্যক্তিগত বাৰ্তাপত্ৰ।

আজিকালি আমি বাতৰিকাকত বুলিলে যি বুজো তেনেধৰণৰ ৰাজহুৱা বাতৰিকাকত পোনপ্ৰথম প্ৰচলিত হৈছিল খ্ৰীষ্টপূৰ্ব ৫৯ত। ৰোমান সম্ৰাট জুলিয়াছ চিজাৰৰ দিনত। সেই বাতৰিকাকতখনৰ নাম আছিল 'এক্টা ডায়াৰ্না' (Acta Diurna)। ইয়াৰ অৰ্থ হ'ল 'দিনটোৰ ঘটনাৱলী'। এইখন হাতেলিখা আছিল। সম্ভ্ৰান্ত লোকসকলৰ পঢ়াৰ সুবিধাৰ অৰ্থে এইখন ৰাজসভাৰ কক্ষত ওলোমাই থোৱা হৈছিল। মাজে মাজে ৰোমৰ প্ৰাদেশিক গৱৰ্ণৰসকলৰ ওচৰলৈও ইয়াৰ কপি পঠিওৱা হৈছিল। সাধাৰণ মানুহে ইয়াৰ বাতৰিসমূহ আনৰ মুখেৰেহে শুনিবলৈ পাইছিল। নিজে পঢ়াৰ সুবিধা নাপাইছিল।

লাহে লাহে ব্যৱসায়-বাণিজ্য বাঢ়িবলৈ ধৰিলে। বজাৰৰ আও-ভাও, দাম-দস্তুৰ সঘনাই নিয়মিতভাৱে পোৱাটো ব্যৱসায়ীসকলৰ বাবে অতি প্ৰয়োজনীয় হৈ উঠিল। ১৬শ খ্ৰীষ্টাব্দত জাৰ্মানীৰ ফ'গাৰ্ছ (Fuggers) নামৰ বেংক ব্যৱসায়ী পৰিয়াল এটাই তেনে এখন বাৰ্তাপত্ৰ উলিয়ায়।

একে সময়তে ভেনিচত চৰকাৰৰ দ্বাৰা প্ৰচাৰিত 'বাৰ্তাপত্ৰ' এখনৰ প্ৰচলন আছিল, যিখন পঢ়িবৰ বাবে পঢ়ুৱৈসকলে এক 'গেজিট' (Gazeta) মূল্য মাননি দিব লাগিছিল। এইখনৰ নাম আছিল 'ন'টিজি ক্ৰিট্টি' (Notizie Scritte), অৰ্থাৎ 'লিখিত বাৰ্তা'।

পৃথিৱীৰ প্ৰথম দৈনিক বাতৰি-কাকতখনৰ নাম আছিল 'ইণ্টেলিজেন্সাৰ' (Intelligencer)। প্ৰকাশ হৈছিল ১৬৬৩ খ্ৰীষ্টাব্দত, লণ্ডনৰ পৰা। তাৰ আগতে প্ৰকাশ হোৱা সকলোবোৰ বাতৰিকাকত আছিল সাপ্তাহিক নাইবা মাহেকীয়া।

প্ৰথম মাৰ্কিন বাতৰিকাকতখন প্ৰকাশ পাইছিল ১৬৯০ খ্ৰীষ্টাব্দত ব'ষ্টনৰ পৰা। তাৰ নাম আছিল 'পাব্লিক অ'কাৰেঞ্চেছ' (Public Oceurences)। সেই সময়ত আমেৰিকা ব্ৰিটিছৰ অধীনত আছিল। আমেৰিকাৰ ব্ৰিটিছ উপনিবেশৰ গৱৰ্ণৰে তৎক্ষণাৎ এই বাতৰিকাকতখনৰ প্ৰকাশ বন্ধ কৰি দিলে। কিন্তু আমেৰিকাৰ থলুৱা লোকসকলৰ বাতৰিকাকতৰ বাবে আগ্ৰহ ইমানেই বৃদ্ধি পাইছিল যে আমেৰিকাৰ স্বাধীনতাৰ যুঁজৰ সময়ত উপনিবেশসমূহত একেলগে ৩৭খন বাতৰিকাকত প্ৰকাশ হৈছিল।

বৰ্তমান সময়ৰ ইংলেণ্ডৰ এখন অতি প্ৰভাৱশালী বাতৰিকাকত 'দ্যা লণ্ডন টাইমছ্' (The London Times)ৰ প্ৰকাশ আৰম্ভ হৈছিল ১৭৪৫ খ্ৰীষ্টাব্দত। আৰম্ভণিতে ইয়াৰ নাম আছিল 'ডেইলি ইউনিভাৰ্ছেল ৰেজিষ্টাৰ' (Daily Universal Register)।

প্ৰথম ভাৰতীয় সংবাদ-পত্ৰখন আছিল 'বেংগল গেজেট' (Bangal Gazette)। প্ৰকাশ হৈছিল ১৭৮০ খ্ৰীঃত কলিকতাৰ পৰা। শদিয়াৰ পৰা ১৮৪৬ খ্ৰীঃত প্ৰকাশ হোৱা 'অৰুণোদই' আছিল প্ৰথম অসমীয়া মাহেকীয়া বাৰ্তালোচনী বা সংবাদপত্ৰ।■

পৰাগ কুমাৰ ডেকা
কেঁকোৰাপুল, তেজপুৰ

## আলু

আলু আলু আলু আলু
আলু মই খাওঁ
পোৰা আলু খাই মই
বৰ ভাল পাওঁ।

লাই, লফা, পালেং, চুকা
কিনি আনে দেউতাই
লগতে আলুটিও আহে
জোলোঙাত সোমায়।

লাউ, কচু, বেঙেনা
আমাৰ বাৰীত হয়
ঢেঁকীয়াশাকত খৰিচা দি
মায়ে ৰান্ধি থয়।

আলু আলু আলু আলু
আলু পিটিকা খাওঁ
কাঁহীৰ দাঁতিত নাপালে
বৰ টান পাওঁ।■

অভিষেক শৰ্মা, ৪ৰ্থ মান, উজান
হয়বৰ গাঁও প্ৰাথমিক বিদ্যালয়

## সেউজীয়া ধৰণী



পুৱাৰ পোহৰত
ৰ'দে জলমল্
ময়ূৰে ধৰিলে চালি
পশু-পখীয়ে
আনন্দ মনেৰে
অৰণ্যত থাকিল খেলি।
প্ৰকৃতি সেউজীয়া
অতি মোহনীয়া
গছ-পুলি ৰুই আমি
কৰিম আৰু ধুনীয়া।■

পাৰিজ পিকুল গগৈ, ৪ৰ্থ শ্ৰেণী,
আদৰ্শ বিদ্যা ভৱন, নাজিৰা



আঁকোতা ঃ ৰিদীপ কুমাৰ দাস, লিটল ফ্লাৱাৰ স্কুল, ত্ৰিপুৰা ৰ'ড, খানাপাৰা



আঁকোতা ঃ দেবৰ্ষি পূজাৰী, দ্বিতীয় শ্ৰেণী, ছাউথ পইন্ট, গুৱাহাটী



আঁকোতা ঃ অজয় ছেত্ৰী, প্ৰথম শ্ৰেণী, ১ নং বৰপাৰা প্ৰাঃ বিঃ, বঙাইগাঁও